**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

***HEADLINE***

১। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই আজি শ্বিলঙৰ পল'স্থিত জে এন ক্ৰীড়া প্ৰকল্প চৌহদত সংহত আয়োজন তথা ক্ৰীড়া প্ৰকল্প মুকলি কৰে।

২। ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইঙে বিহাৰ ভ্ৰমণ সামৰি আজি বিয়লি নতুন দিল্লীত উপস্থিত হয়।

৩। কেন্দ্ৰীয় ৰাজহ চোৰাংচোৰা সঞ্চালকালয়ে কেৰলমত অভিযান চলাই ২৪ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ নিচাযুক্ত দ্ৰব্য আৰু মানসিক বিসংগতি ঘটাব পৰা সামগ্ৰী জব্দ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই আজি শ্বিলঙৰ পল'স্থিত জে এন ক্ৰীড়া প্ৰকল্প চৌহদত সংহত আয়োজন তথা ক্ৰীড়া প্ৰকল্প মুকলি কৰে। ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ বাবে আজি আয়োজক ৰাজ্য বন্দোবস্তি সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও সম্পাদিত হয়। মেঘালয়ে আয়োজক ৰাজ্য হিচাপে অগ্ৰণী ভূমিকা পালন কৰাৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলৰ ভগ্নী ৰাজ্যসমূহে তেওঁলোকৰ ৰাজ্যত অনুষ্ঠিত বিভিন্ন শিতানৰ খেলৰ ক্ষেত্ৰত আয়োজক হিচাপে অংশগ্ৰহণৰ অধিকাৰ লাভ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মেঘালয়ৰ অৰ্থনীতি আৰু আন্তঃগাঁথনি ক্ৰমাৎ সুদৃঢ় হৈ উঠিছে আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৰঙণি বৃদ্ধি পাইছে। মেঘালয়ত এটা উন্নতি কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি শ্ৰীমন্দাভিয়াই ঘোষণা কৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, মেঘালয়ৰ ক্ৰীড়া মন্ত্ৰী ৰেলাড্‌মিকী চাইলা, ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ ড০ পি টি উষা আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইঙে বিহাৰ ভ্ৰমণ সামৰি আজি বিয়লি নতুন দিল্লীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত আদৰণি জনায়। কাইলৈ ম্যানমাৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত-ম্যানমাৰ বাণিজ্যিক সন্মিলনত উপস্থিত থাকিব। সোমবাৰে ৰাষ্ট্ৰপতি উ মিন আং লাইঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দুয়োখন দেশৰ ঐতিহাসিক আৰু সভ্যতাৰ সৈতে জড়িত সম্পৰ্ক আৰু শক্তিশালী কৰাৰ বাবে আলোচনাত মিলিত হ'ব। ভাৰত ভ্ৰমণৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি দুই জুনত বাণিজ্য তথা উদ্যোগ খণ্ডৰ সৈতে জড়িত বহুকেইজন ব্যক্তিক সাক্ষাৎ কৰাৰ উদ্দেশ্যে মুম্বাই ভ্ৰমণ কৰিব।

উল্লেখযোগ্য যে, ভাৰত ভ্ৰমণৰত ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইং আজি ভ্ৰমণসূচীৰ অংশ হিচাপে বিহাৰৰ বুদ্ধগয়াত উপস্থিত হয়। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বপ্ৰসিদ্ধ মহাবোধি মন্দিৰ আৰু ঐতিহাসিক সুজাতা মন্দিৰত প্ৰাৰ্থনা জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে বুদ্ধগয়াত থকা ম্যানমাৰৰ বিভিন্ন বৌদ্ধ মঠ পৰিদৰ্শন কৰে। ইয়াৰ পূৰ্বে বিহাৰৰ কৃষি মন্ত্ৰী বিজয় কুমাৰ সিন্‌হাই ৰাষ্ট্ৰপতি উ মিন আং লাইঙক গয়া বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে জ্যেষ্ঠ বিষয়া আৰু বৌদ্ধ প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো উপস্থিত আছিল। ৰাষ্ট্ৰপতি উ মিন আং লাইঙৰ এই পাঁচদিনীয়া ভাৰত ভ্ৰমণে উভয় দেশৰ মাজৰ ঐতিহাসিক, সংস্কৃতিক আৰু বৌদ্ধ ঐতিহাসিক বান্ধোন শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে লগতে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সহোযোগিতাত গতি প্ৰদান কৰিব বুলি বিশেষজ্ঞ মহলে প্ৰকাশ কৰিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি

০০০০০

কেন্দ্ৰীয় ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ে কেৰালাত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে এলানি অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত দ্ৰব্যৰ লগতে মানসিক বিসংগতি ঘটাব পৰা সামগ্ৰী জব্দ কৰিছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে **অপাৰেচন চক্ৰবেহু** শীৰ্ষক এই অভিযানৰ জৰিয়তে ৰাজ্যখনৰ কোচি, মল্লপ্পুৰম আৰু তিৰুৱনন্তপুৰমৰ পৰা ২৪ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ নিচাযুক্ত দ্ৰব্যৰ লগতে মানসিক বিসংগতি ঘটাব পৰা সামগ্ৰী জব্দ কৰা হৈছে। অবৈধভাৱে সৰবৰাহ কৰাৰ উদ্দেশ্যে মজুত কৰা এনে সামগ্ৰীসমূহ জব্দ কৰাৰ বিষয়ে সদৰি কৰি মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে এই অভিযানৰ সময়ত ১৯৮৫ চনৰ নিচাযুক্ত দ্ৰব্য আৰু মানসিক বিসংগতি ঘটাব পৰা সামগ্ৰী সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

চৰকাৰী তথ্য অনুসৰি যোৱা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ কোচিন মাণ্ডলিক গোটে কেৰালাৰ বিভিন্ন স্থানৰ পৰা ৭০ কোটি টকাৰো অধিক মূল্যৰ নিচাযুক্ত দ্ৰব্য আৰু মানসিক বিসংগতি ঘটাব পৰা সামগ্ৰী জব্দ কৰাৰ লগতে এই আইনৰ অধীনৰ সুকীয়া গোচৰত ২১ জন লোকক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কয়, যে ২০২৩ বৰ্ষৰ ইউ পি এছ চিৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ ফলাফল সন্দৰ্ভত বিভ্ৰান্তিকৰ বিজ্ঞাপন প্ৰকাশ কৰা বাবে কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা প্ৰাধিকৰণ চি চি পি এ-ই এটা ব্যক্তিগত কোচিং প্ৰতিষ্ঠানক সাত লাখ টকাৰ জৰিমনা বিহিছে। ২০১৯ বৰ্ষৰ উপভোক্তা সুৰক্ষা আইনৰ অধীনত প্ৰাধিকৰণে এই সন্দৰ্ভত চূড়ান্ত নিৰ্দেশ জাৰি কৰা বুলি তেওঁ জানিবলৈ দিয়ে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰী যোশীয়ে কয়, যে কোচিং খণ্ডত শুদ্ধভাৱে তথ্য জনাৰ

উপভোক্তাৰ অধিকাৰৰ লগতে স্বচ্ছতা, জবাবদিহিতা আৰু সৎ পন্থাৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাৰ প্ৰতিফলন ঘটাই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে জানিবলৈ দিয়া মতে চি চি পি এ-ই বৰ্তমানলৈ দেশৰ বিভিন্ন কোচিং প্ৰতিষ্ঠানলৈ ৬০ খনতকৈও অধিক জাননী প্ৰেৰণ কৰাৰ লগতে এনে প্ৰতিষ্ঠানক এক কোটি ৬৪ লাখ টকাৰো অধিক পৰিমাণৰ জৰিমনা বিহিছে। প্ৰাধিকৰণে ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থক সুৰক্ষা প্ৰদান কৰাৰ লগতে তথ্য নিৰ্ভৰ সিদ্ধান্ত গ্ৰহণক উৎসাহিত কৰি আছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাষ্ট্ৰীয় কৰ্ণধাৰ সমিতি এন এছ চি-য়ে পি এম সেতু আঁচনিৰ অধীনত অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনম আই টি আই ক্লাষ্টাৰৰ বাবে কৌশলগত বিনিয়োগ পৰিকল্পনা **ছিপ**ৰ প্ৰতি অনুমোদন জনাইছে। **আৰ্চেলৰ মিট্টল নিপন ষ্টীল ইণ্ডিয়া** নামৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানে এই পৰিকল্পনা যুগুতাই দাখিল কৰিছিল। উল্লেখযোগ্য যে এয়া হ'ল প্ৰধানমন্ত্ৰী দক্ষতা আৰু সংস্থাপন ক্ষমতা পৰিৱৰ্তন ব্যৱস্থা পি এম সেতু আঁচনিৰ অধীনত আই টি আইৰ জৰিয়তে অনুমোদিত **ছিপ**ৰ প্ৰথমটো উদাহৰণ। আনহাতে এই ব্যৱস্থাৰ জৰিয়তে ঔদ্যোগিক সহযোগিতাৰ অধীনত আঁচনিখন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অন্ধ্ৰ প্ৰদেশ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হ'ল। উল্লেখযোগ্য যে, দক্ষতা উন্নয়ন আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনত নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৰ্ণধাৰ সমিতিৰ তৃতীয়খন বৈঠকত এই পৰিকল্পনাৰ প্ৰতি অনুমোদন জনোৱা হয়।

ooooo

গোৱাৰ আজি ৩৯ সংখ্যক ৰাজ্য প্ৰতিষ্ঠা দিৱস। ১৯৮৭ চনৰ আজিৰ দিনটোতে গোৱা পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হৈছিল আৰু গোৱা দেশৰ ২৫ সংখ্যক ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছিল। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে গোৱাৰ জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে গোৱা কেৱল চহকী সাংস্কৃতিক ঐতিহ্য আৰু আতিথ্যৰ বাবেই নহয়, বৰং শিক্ষা, প্ৰযুক্তি, ষ্টাৰ্টআপ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা অভূতপূৰ্ব অগ্ৰগতিৰ বাবে জনাজাত। গোৱাই উদ্ভাৱন, পৰিবেশ সংৰক্ষণ আৰু সৰ্বাত্মক বিকাশৰ প্ৰতিশ্ৰুতিৰে বিকশিত ভাৰত গঢ়াৰ যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰতিষ্ঠা দিৱস উপলক্ষে পানাজীৰ কলা একাডেমীত আয়োজিত এটা সমাবেশত ভাষণ দি গোৱা চহকী সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি বিকাশৰ পথত অগ্ৰসৰ হোৱা এখন ৰাজ্যৰ আৰ্হি হিচাপে আখ্যা দিয়ে। ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মাৰিঅ' মিৰাণ্ডা প্ৰদৰ্শনী আৰু

বিশিষ্ট কাৰ্টুন শিল্পীগৰাকীৰ এটা স্মাৰক ডাক টিকট মুকলি কৰে। তেওঁ লগতে বঁটা তথা নিযুক্তিপত্ৰ বিতৰণ কৰে আৰু দীনদয়াল স্বাস্থ্য সেৱা যোজনাৰ অধীনত বৰ্ধিত সাহায্য মুকলি কৰে। তেওঁ কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষ বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে বিকশিত গোৱা অত্যন্ত আৱশ্যকীয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত কয় যে গোৱা প্ৰাণৱন্ত সংস্কৃতি, চহকী ঐতিহ্য, মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য আৰু অতিথিপৰায়ণ জনসাধাৰণৰ বাবে জনাজাত। তেওঁ লগতে গোৱাই অনাগত সময়তো সমৃদ্ধিৰ যাত্ৰা অব্যাহত ৰাখি আৰু বিকশিত ভাৰত দৃষ্টিভংগীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত  ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ